**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 26-02-2025 **Time :** 1205 Hrs

***Assamese Midday Bulletin***

মহা শিৱৰাত্ৰি উপলক্ষে আজি ৰাজ্যৰ প্ৰান্তে প্ৰান্তে দেৱাদিদেৱ মহাদেৱৰ আৰাধনা কৰা হৈছে। শিৱসাগৰৰ ঐতিহাসিক শিৱদৌল, তেজপুৰৰ মহাভৈৰৱ, গুৱাহাটীৰ শুক্ৰেশ্বৰ মন্দিৰ, পামহিৰ ভীমাশংকৰ মন্দিৰ, সোমনাথ মন্দিৰ, নগাঁৱৰ মৃত্যুঞ্জয় মন্দিৰ, ঢেকীয়াজুলিৰ বাবা গুপ্তেশ্বৰ দেৱালয়, হলেশ্বৰ দেৱালয়, ন-দুৱাৰ সমষ্টিৰ নাগশংকৰ দেৱালয়, নেঘেৰীটিঙকে ধৰি বিভিন্ন স্থানত আশুতোষৰ আৰাধনাৰ বাবে ভক্তসকলে ভিৰ কৰা পৰিলক্ষিত হৈছে। ৰাজ্যৰ অন্যান্য প্ৰান্তৰ শিৱমন্দিৰসমূহো পূজাৰ বাবে সজাই পৰাই তোলা হৈছে। শিৱসাগৰৰ ঐতিহাসিক শিৱদৌল প্ৰাংগণত মহা শিৱৰাত্ৰি পূজা আৰু মেলা কালিৰে পৰা চাৰিদিনীয়া কাৰ্যসূচীৰে আয়োজন কৰা হৈছে। জিলা প্ৰশাসনে এই পূজা আৰু মেলা নিয়াৰিকৈ পৰিচালনাৰ বাবে সকলো ব্যৱস্থা গ্ৰহণ কৰিছে। অগণন লোকৰ সমাগমৰ প্ৰতি লক্ষ্য ৰাখি অঞ্চলটোত শিৱৰাত্ৰি উদযাপন সমিতিয়ে চি চি টিভি কেমেৰা সংস্থাপন কৰিছে। কালি দিনৰ ভাগত উদ্বোধনী অনুষ্ঠানৰ আয়োজন কৰা হয়।

গোৱালপাৰা জিলাৰ বিভিন্ন প্ৰান্তত শিৱপূজা চলি আছে। জিলাখনৰ ঐতিহাসিক পাগলাৰটেক শিৱ মন্দিৰত কালিৰে পৰা চাৰিদিনীয়াকৈ বিস্তৃত কাৰ্যসূচীৰে শিৱৰাত্ৰি পালন কৰা হৈছে। কালি অধিবাসৰ জৰিয়তে কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। প্ৰবাদ অনুসৰি চান্দ সদাগৰৰ দিনৰ পৰা এই মন্দিৰত শিৱপূজা চলি আহিছে।

বৰপেটা জিলাৰ বিভিন্ন শিৱমন্দিৰত ধৰ্মীয় পৰম্পৰাৰে আজি শিৱৰাত্ৰি পালন কৰা হৈছে। হাউলী সাৰ্বজনীন শিৱ মন্দিৰত আজিৰে পৰা তিনিদিনীয়াকৈ মহা শিৱৰাত্ৰি পূজাৰ আয়োজন কৰা হৈছে। সৰভোগৰ কামাৰগাঁও শিৱ মন্দিৰতো তিনিদিনীয়াকৈ পূজাৰ আয়োজন কৰা হৈছে। একেদৰে ঐতিহাসিক শিঙৰীৰ গুপ্তেশ্বৰ দেৱালয়, দক্ষিণ বজালীৰ জালিখাটাৰ কলিবাৰী শ্ৰীশ্ৰী শিৱ থান, হাজোৰ শ্ৰীশ্ৰী হৰগৌৰী মন্দিৰকে ধৰি বিভিন্ন স্থানত শিৱৰাত্ৰি পূজাৰ আয়োজন কৰা হৈছে।

০০০০০০০০

গুৱাহাটীত অনুষ্ঠিত উত্তৰ-পূৰ্বাঞ্চলৰ সৰ্ববৃহৎ বিনিয়োগ আৰু আন্তঃগাঁথনি সন্মিলন দ্বিতীয় এডভাণ্টেজ আছামৰ আজি দ্বিতীয় দিনা কেইবাখনো বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হয়। ৰাজ্য চৰকাৰ আৰু ষ্টাৰ চিমেণ্ট লিমিটেডৰ মাজত সম্পাদিত চুক্তি অনুযায়ী কোম্পানীটোৰ অধীনৰ ষ্টাৰ চিমেণ্ট নৰ্থ-ইষ্ট লিমিটেডে ৩ হাজাৰ ২০০ কোটি টকা বিনিয়োগেৰে অসমত চিমেণ্ট ক্লিংকাৰ আৰু গুড়ি কৰা প্ৰকল্প স্থাপন কৰিব। একেদৰে ৰাজ্য চৰকাৰ আৰু গ্ল’বেল হেল্থ লিমিটেড মেডান্তাই আজি ৫০০ কোটি টকা ব্যয়েৰে বিভিন্ন ৰোগৰ চিকিৎসাৰ বাবে এখন অত্যাধুনিক মাল্টিস্পেচিয়েলিটী হস্পিটেল স্থাপনৰ বাবে বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে। ৰাজ্য চৰকাৰ আৰু মেথ্‌চন হাইড্ৰ’গ্ৰীণ প্ৰাইভেট লিমিটেডৰ মাজত এহেজাৰ ৫০০ কোটি টকা ব্যয়সাপেক্ষে অসমত এটা বছৰি ৯৫ কিলো টন উৎপাদন ক্ষমতাসম্পন্ন হাইড্ৰ’জেন আৰু ষ্টিম উৎপাদন প্ৰকল্প স্থাপনৰ বাবে চুক্তি সম্পাদিত হয়।

০০০০০০০০

অসম সাহিত্য সভাৰ ২০২৫-২৭ বৰ্ষৰ কাৰ্যনিৰ্বাহক সমিতিৰ সেতুবন্ধ কাৰ্যসূচীৰ অধীনত আজি সভাৰ এটা প্ৰতিনিধি দল অৰুণাচল প্ৰদেশলৈ যাব। সভাপতি ড০ বসন্ত কুমাৰ গোস্বামীৰ নেতৃত্বত এই প্ৰতিনিধি দলটো আজি ৰাজ্যখনলৈ ৰাওনা হ'ব। বিভিন্ন ৰাজ্যৰ জাতি-জনগোষ্ঠীৰ মাজত সম্প্ৰীতিৰ এনাজৰী শক্তিশালী কৰাৰ বাবে লোৱা কাৰ্যসূচীৰ অধীনত অসম সাহিত্য সভাই এই ব্যৱস্থা গ্ৰহণ কৰিছে। সভাৰ প্ৰধান সম্পাদক দেৱজিৎ বৰাই প্ৰকাশ কৰা মতে অৰুণাচলৰ নিচি জনগোষ্ঠীয় সংগঠন নিচি ইলাইট ছ'চাইটিৰ উদ্যোগত চিজুছাত হ'বলগীয়া ন্যকুম য়ল্লু অনুষ্ঠানত দলটোৱে অংশ ল'ব। দলটোৰ সৈতে এই অনুষ্ঠানত অংশ লোৱাৰ বাবে এটা বিহু দলো ৰাওনা হ'ব। এই দলটোত সভাৰ কেন্দ্ৰীয় কাৰ্যালয়ৰ সম্পাদক ড° জ্যোতিৰেখা হাজৰিকা, সাংগঠনিক সম্পাদক অপূৰ্ব ফুকনৰ লগতে কেইবাগৰাকীও বিষয়ববীয়া আছে।

০০০০০০০

অসম তথা জাতিৰ অস্তিত্ব ৰক্ষাৰ বাবে ব্ৰিটিছ বিৰোধী সংগ্ৰামত চৰম বলিদান দিয়া দুগৰাকী স্বাভিমানী অসমীয়া মণিৰাম দেৱান আৰু পিয়লি বৰুৱাৰ আজি পূণ্য তিথি। পূণ্য তিথি উপলক্ষে ৰাজ্যৰ বিভিন্ন প্ৰান্তত ছহিদ দুগৰাকীলৈ শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰা হৈছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে শ্বহীদ দুগৰাকীলৈ শ্ৰদ্ধা নিবেদন কৰিছে। মুখ্যমন্ত্ৰী ড° শৰ্মাই এটা বাৰ্তাযোগে কয়, যে ছহিদ দুগৰাকীৰ অসীম সাহস আৰু ত্যাগ সদায় দেশৰ বাবে অনুপ্ৰেৰণাৰ উৎস হৈ ৰ'ব। পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী দাসে এই উপলক্ষে দিয়া এটা বাৰ্তাত কয়, যে একেটা দিনতে প্ৰাণ উচৰ্গা কৰা দুয়োগৰাকী স্বতন্ত্ৰতা সেনানীৰ জাতিৰ প্ৰতি থকা টান আৰু উদ্যম উঠি অহা প্ৰতিটো প্ৰজন্মৰ বাবে অনুকৰণীয় হৈ ৰ'ব। ছহিদ দুগৰাকীৰ নাম অসমীয়া ইতিহাসৰ পৃষ্ঠাত সদায় সোণালী আখৰেৰে লিপিবদ্ধ হৈ থাকিব বুলি তেওঁ উল্লেখ কৰে।

০০০০০০০০

আই চি চি চেম্পিয়নছ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাত আজি পাকিস্তানৰ লাহোৰৰ গাড্ডাফি ষ্টেডিয়ামত হ'বলগীয়া গ্ৰুপ বিৰ এখন খেলত ইংলেণ্ডে আফগানিস্তানৰ বিৰুদ্ধে খেলিব। খেলখন ভাৰতীয় সময় অনুসৰি দিনৰ আঢ়ৈ বজাত আৰম্ভ হ'ব। খেলখনত পৰাজিত হোৱা দলটো এই প্ৰতিযোগিতাৰ পৰা বাহিৰ হ'ব। দুয়োটা দলে ইতিমধ্যে নিজৰ প্ৰথমখন খেলত পৰাজিত হৈ এটাও পইণ্ট নোহোৱাকৈ গ্ৰুপ বিৰ অন্তিম স্থানত আছে।

কালি নিশা ৰাৱালপিণ্ডিত হ'বলগীয়া অষ্ট্ৰেলিয়া আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ খেলখন বৰষুণৰ বাবে পৰিত্যক্ত ঘোষণা কৰা হয়। দুয়োটা দলকে ১ পইণ্টকৈ ভগাই দিয়া হয়।

০০০০০০০

সমাপ্ত